# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৩০ অক্টোবৰ ২০২০ চনত মছজিদ মোবাৰক ,ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন বদৰী চাহাবী হজৰত মুৱাজ বিন জবল (ৰাঃ) আৰু আব্দুল্লাহ বিন উমৰু (ৰাঃ)ৰ পৱিত্ৰ গুণাৱলীৰ ঈমান বৰ্দ্ধক ঘটনাৰ বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, হজৰত মুৱাজ বিন জবল (ৰাঃ)ৰ জীৱনৰ ঘটনাৱলী সম্পৰ্কে চলি আহিছে। হজৰত মুৱাজ বিন জবল (ৰাঃ) বৰ দয়ালু লোক আছিল,যাৰ ফলত বেছিৰ ভাগ সময়ে তেখেতে ঋণ ল'ব লগা হৈছিল। আঁ-হজৰত (ছাঃ)য়ে এখেত (ৰাঃ)ৰ গোটেই সম্পত্তি ঋণ দাতা সকলক ভগাই দিছিল কিন্তু তথাপিও ঋণ সম্পূৰ্ণ ৰূপে পৰিশোধ হোৱা নাছিল। অৱশেষত ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক ইয়ামনলৈ পঠাই দিছিল আৰু কৈছিল যে, হে মুৱাজ ! তোমাৰ ওপৰত বহুত ঋণৰ বোজা, গতিকে যদি কোনোবাই তোমালৈ হাদিয়া (উপঢৌকন) লৈ আনে তেন্তে সেয়া তুমি গ্ৰহণ কৰিবা; মই তোমাক ইয়াৰ বাবে অনুমতি প্ৰদান কৰিলোঁ। তুমি সেই উপঢৌকন নিজৰ বাবে খৰচ কৰিব পাৰিবা। ইয়াৰ পিছত আঁ-হজৰত (ছাঃ)য়ে কৈছিল-হে মুৱাজ ! সম্ভৱত অহা বছৰ তোমাৰ সৈতে মোৰ আৰু সাক্ষাৎ নহ'ব আৰু এয়াও সম্ভৱ যে, তুমি মোৰ মছজিদ আৰু কবৰৰ ওচৰেদি পাৰ হৈ যাবা। হজৰত মুৱাজ বিন জবল (ৰাঃ) ৰছুলুল্লাহ (ছাঃ)ৰ পৰা পৃথক হোৱাৰ কাৰণে এই কথাবোৰ শুনি কান্দিবলৈ লৈছিল। ইয়াৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ কথাৰ মূৰ সলাই লৈছিল আৰু মদিনাৰ ফালে মুখমণ্ডল ঘূৰাই কৈছিল লোকৰ মাজত সেইজন মোৰ আটাইতকৈ ওচৰত যিজনে মুত্তাকী; হয়তো তেওঁ যিকোনো এজন হওঁক আৰু যতেই হওঁক। এটা ৰিৱায়ত আছে যে, নবী কৰীম (ছাঃ)য়ে তেতিয়া হজৰত মুৱাজক নিপীড়িত হোৱাৰ পৰিতাপৰ পৰা ৰক্ষা পৰিবলৈ উপদেশ কৰিছিল কাৰণ তেখেত (ৰাঃ)ৰ আফছোচ আৰু আল্লাহৰ মাজত কোনো বাধা নাথাকে।

হজৰত মুৱাজ বিন জবল (ৰাঃ)ক আঁ-হজৰত (ছাঃ)য়ে এজন কাজি হিচাপে ইয়ামনলৈ পঠাই দিছিল। এখেত (ৰাঃ)য়ে তেওঁলোকক কোৰ-আন আৰু দ্বীনি শিক্ষা দিছিল। তেওঁলোকৰ মাজত মীমাংসা দিয়া কৰিছিল। ইয়ামনৰ তহচীলদাৰ; যিসকলে জাকাত সংগ্ৰহ কৰিছিল; সেয়া হজৰত মুৱাজ (ৰাঃ)ৰ ওচৰত পঠাই দিছিল। হজৰত মুৱাজ (ৰাঃ)য়ে ইয়ামনলৈ বায়তুল মালৰ ধনেৰে ব্যৱসায় কৰিছিল আৰু তাৰ পৰা হোৱা লাভৰ ধনেৰে নিজৰ ঋণ পৰিশোধ কৰিছিল। এখেত (ৰাঃ)য়েই আছিল প্ৰথমজন ব্যক্তি যিয়ে আল্লাহ তা'লাৰ ধনেৰে ব্যৱসায় কৰিছিল। হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে ইয়ামনতেই স্থায়ী ভাৱে বসবাস কৰিবলৈ লৈছিল আৰু তাতে

থাকোতেই ইফালে ৰছুলুল্লাহ (ছাঃ)ৰ মৃত্যু হৈ গৈছিল।

হজৰত মুৱাজ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া এখেত (ৰাঃ)ক ইয়ামনলৈ পঠাইছিল তেতিয়া কৈছিল-যেতিয়া কোনো গোচৰ তোমাৰ ওচৰত আহিব তেতিয়া তুমি সেয়া কেনেকৈ মীমাংসা কৰিবা ? এখেত (ৰাঃ)য়ে উত্তৰ দিছিল যে, মই আল্লাহৰ কিতাপৰ পৰা বাণী অনুযায়ী মীমাংসা কৰিম। তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কৈছিল- যদি আল্লাহৰ কিতাপত তাৰ আদেশ বিচাৰি নোপোৱা তেন্তে কি কৰিবা ? এখেত (ৰাঃ)য়ে নিবেদন কৰিছিল; তেন্তে আল্লাহৰ ৰছুলৰ ছুন্নত অনুযায়ী সিদ্ধান্ত দিম। তেখেত (ছাঃ)য়ে কৈছিল-যদি আল্লাহৰ ৰছুলৰ ছুন্নতৰ মাজত তেনে আদেশ বিচাৰি নোপোৱা তেন্তে কি কৰিবা ? হজৰত মুৱাজ (ৰাঃ)য়ে উত্তৰত কৈছিল, তেন্তে মই সৰ্বসন্মত ক্ৰমে নিজৰ ৰায় প্ৰদান কৰিম আৰু এই বিষয়ে মই কোনো ধৰণৰ কম বেছি নকৰো। মুৱাজ (ৰাঃ)য়ে কৈছে যে, সকলো প্ৰশংসা আল্লাহ তা'লাৰ নিমিত্তে; যিয়ে আল্লাহৰ ৰছুলৰ দূতক এনেকুৱা কথা কোৱাৰ সৌভাগ্য দান কৰিছে যি আল্লাহৰ ৰছুলৰ সন্তুষ্টিৰ কাৰক হয়।

ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক ইয়ামনৰ বাসিন্দা সকলৰ বাবে বিচাৰপতি নিযুক্ত কৰি পঠাইছিল আৰু ইয়ামনৰ বাসিন্দা সকললৈ লিখি পঠিয়াইছিল যে, নিশ্চয় মই তোমালোকৰ বাবে মই মোৰ লোকৰ মাজৰ পৰা জ্ঞানী আৰু ধাৰ্মিক ব্যক্তি এজনক বিচাৰপতি (হাকিম) বনাই পঠিয়ালো। হজৰত মুৱাজ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, ৰছুলুল্লাহ (ছাঃ)য়ে মোক দহটা বিষয়ে অচিয়ত কৰোঁতে কৈছিল, আল্লাহ তা'লাৰ সৈতে কাকো অংশীদাৰ নাপাতিবা; যদিও তোমাক হত্যা কৰা হয় বা জ্বলাই দিয়া হয়। পিতৃ-মাতৃৰ অবাধ্য নহ'বা যদিও তোমাক ঘৰ অথবা ধন সম্পত্তিৰ পৰা বেদখল কৰি দিয়া হয়। জানি বুজি ফৰজ নমাজ এৰি নিদিবা কাৰণ জানি-বুজি ফৰজ নমাজ এৰিলে আল্লাহ তা'লাৰ দায়িত্ব আৰু হিফাজতৰ বহিৰ্ভূত হৈ পৰে। মদ পান নকৰিবা কাৰণ মদ সকলো ধৰণৰ নিৰ্লজ্জিতাৰ উৎস। পাপ আৰু অবাধ্যতাৰ পৰা আঁতৰত থাকিবা কাৰণ পাপৰ বাবে খোদা তা'লাৰ ক্ৰোধ অৱতীৰ্ণ হয়। শত্ৰুৰ সৈতে লড়াই চলা কালীন অৱস্থাত পিঠি দেখুৱাই পলায়ন নকৰিবা। যদি মানুহৰ মাজত প্লেগ মহামাৰী দেখা দিয়ে আৰু তুমি তাতেই থাকা তেন্তে তুমি নিজৰ ঠাইতেই থাকিবা। নিজৰ পৰিয়ালৰ বাবে নিজৰ শক্তি (আয় উপাৰ্জন) অনুযায়ী খৰচ কৰিবা; সিহঁতক প্ৰাপ্য অধিকাৰ প্ৰদান কৰিবা আৰু তেওঁলোকৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অৱহেলা নকৰিবা আৰু সিহঁতক খোদা তা'লাৰ ভয়লৈ মনত পেলাই দিবা। এই দহটা বিষয়ে তেখেত (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক উপদেশ দিছিল।

হজৰত ইবনে উমৰ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে, নবী কৰীম (ছাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক কৈছিল, হে মুৱাজ ! মই তোমাক হিতকাৰী দয়ালু ভায়েকৰ দৰে নচিহত কৰিছোঁ যে, আল্লাহৰ তাকৱা (খোদা ভীতি) ধাৰণ কৰা; বেমাৰীক শুশ্ৰূষা কৰা, বিধৱা আৰু বয়সস্থ সকলৰ প্ৰয়োজন পূৰ্ণ কৰা, অভাৱী আৰু দৰিদ্ৰ সকলৰ লগত বহা আৰু লোকক নিজৰ ফালৰ পৰা ন্যায় বিচাৰ প্ৰদান কৰিবা, আৰু ন্যায় কথা কওঁতে আৰু আল্লাহৰ সম্পৰ্কে ভাল বেয়া কওঁতা সকলক দমন কৰোঁতে তোমাৰ যেন দ্বিধা নহয়, এই বিষয় সম্পৰ্কে উপদেশ দিছো। হজৰত মুৱাজ (ৰাঃ)য়ে ৯ হিজৰীৰ পৰা ১১ হিজৰীলৈকে ইয়ামনত আছিল।

হজৰত উমৰ (ৰাঃ)য়ে কৈছে যে, যদি মোৰ মৃত্যুৰ সময় হৈ যায় আৰু হজৰত আবু উবেয়দা (ৰাঃ)বিন জাৰাহ জীয়াই নাথাকে তেন্তে মুৱাজ বিন জবল (ৰাঃ)ক আমাৰ খলিফা নিযুক্ত কৰিম আৰু যদি মোৰ প্ৰভুয়ে মোক সুধে যে, তুমি তাক কিয় খলিফা নিযুক্ত কৰিছা তেন্তে মই উত্তৰ দিম যে, মই তোমাৰ ৰছুল (ছাঃ)ক

কওঁতে শুনিছিলো যে,তেওঁক (মুৱাজক) কিয়ামতৰ দিনা উলামা সকলৰ আগে আগে লৈ অনা হ'ব। আবু ইদ্রিছ খওলানি বৰ্ণনা কৰিছে যে, হজৰত মুৱাজ (ৰাঃ)য়ে কৈছে যে, তেখেতে ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছে যে, আল্লাহ তা'লা এয়া কৈছে যে, মোৰ বাবে পৰস্পৰে মৰম কৰোঁতা, মোৰ বাবে পৰস্পৰে একেলগে বহি থাকোঁতা, মোৰ বাবে পৰস্পৰে মিলি যোৱা আৰু মোৰ বাবে এজনে আনজনৰ বাবে খৰচ কৰোঁতা সকলৰ বাবে মোৰ ভাল পোৱা অনিবাৰ্য থাকিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)প্লেগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰিছিল তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে হজৰত মুৱাজ (ৰাঃ)ক স্বাম (ছিৰিয়)ৰ হাকিম হিচাপে নিযুক্তি দিছিল। হজৰত মুৱাজ (ৰাঃ)য়েও সেই বছৰেই প্লেগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰিছিল। কছিৰ বিন মুৰাহ বৰ্ণনা কৰিছে যে, হজৰত মুৱাজ (ৰাঃ)য়ে অসুস্থ হোৱা অৱস্থাত মোক কৈছিল যে তেখেতে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা এটা কথা শুনিছে, যি তেখেত মোৰ পৰা লুকাই ৰাখিছে। অৰ্থাৎ ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে, যাৰ মুখৰ শেষ শব্দ لا الہ الا اللہ হ'ব তাৰ নিমিত্তে জান্নাত ওৱাজিব হ'ব।

যেতিয়া হজৰত মুৱাজ বিন জবল (ৰাঃ)ৰ মৃত্যুৰ সময় ঘনাই আহিছিল তেতিয়া তেখেত (ৰাঃ)য়ে কৈছিল যে হে আল্লাহ তুমি জানা যে মই তোমাক ভয় কৰো, কিন্তু আজি মই পৰিতৃপ্ত হৈছো, মোৰ আশা পূৰ্ণ হৈছে। মই দুনিয়া আৰু দীৰ্ঘ জীৱন এই কাৰণে ভাল নোপোৱা হয় যে ইয়াত খাল খান্দিব লাগে বা ইয়াত গছ লগাব লাগে, বৰং ভাল নাপাও এই কাৰণে যে দুপৰীয়া পিয়াহতুৰ অৱস্থাৰ কষ্ট ভোগ কৰো আৰু সেই উলামা সকলৰ লগত বহো য'ত তোমাৰ বিষয়ে ক'ব লাগে। আন এটা ৰিৱায়তত উল্লেখ আছে যে, যেতিয়া হজৰত মুৱাজ (ৰাঃ)ৰ মুমূৰ্য অৱস্তা ওচৰ চাপি আহিছিল, তেতিয়া তেখেত কান্দিবলৈ আৰম্ভ কৰিছিল। তেতিয়া তেখেত (ৰাঃ)ক প্ৰশ্ন কৰা হৈছিল; আপুনি কান্দিছে কিয় ? আপুনি দেখোন ৰছুলুল্লাহ (ছাঃ)ৰ লগৰীয়া হয়। তেতিয়া হজৰত মুৱাজ (ৰাঃ)য়ে কৈছিল যে মই মৃত্যুৰ চিন্তাত কান্দি থকা নাই; আৰু মই এই কাৰণেও কন্দা নাই যে মোৰ জগত এৰি যাব লগা হৈ আছে বৰং মই কেৱল এই কাৰণে কান্দি আছো যে, দুটা দল হ'ব অৰ্থাৎ জান্নাতী আৰু দোজখী। মই নাজানো যে মোক কোনটো দলৰ লগত উঠোৱা হ'ব। হজৰত মুৱাজ বিন জবল (ৰাঃ)য়ে ওঠৰ হিজৰীত মৃত্যু বৰণ কৰিছে। মৃত্যুৰ সময়ত এখেত (ৰাঃ)ৰ বয়স ৩৮ বছৰ হোৱা বুলি উল্লেখ আছে। এই বিষয়ে ১৫৭ টা হাদীছত উল্লেখ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এতিয়া যিজন চাহাবীৰ বিষয়ে বৰ্ণনা কৰা হ'ব তেখেতৰ নাম হ'ল আব্দুল্লাহ বিন উমৰু (ৰাঃ)। আনছাৰ কবিলা খজৰজৰ এটা গোত্ৰ বনু ছালমাৰ সৈতে এখেত (ৰাঃ)ৰ সম্পৰ্ক আছিল। এখেত হজৰত জাবিৰ বিন আব্দুল্লাহৰ পিতৃ আছিল। এখেত (ৰাঃ) বয়াতে উকবা ছানিয়া (দ্বিতীয়) ত অংশ গ্ৰহণ কৰিছিল। আনহাতে ৰছুলুল্লাহ (ছাঃ)ৰ নিযুক্ত বাৰ প্ৰতিনিধিৰ মাজত এজন আছিল। এখেত (ৰাঃ)য়ে বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু উহুদৰ ৰণ ভূমিত শ্বাহাদত বৰণ কৰিছিল। হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ) উহুদৰ ময়দানত মুছলমান সকলৰ ফালৰ পৰা হোৱা সৰ্বপ্ৰথম শ্বহীদ আছিল। উহুদৰ যুদ্ধ ময়দানত যেতিয়া আব্দুল্লাহ বিন উবায় বিন ছুলুল বিশ্বাসঘাতকতা কৰিছিল তেতিয়া হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ)য়ে তেওঁলোকক উপদেশ কৰাৰ চেষ্টা কৰিছিল। হজৰত জাবিৰ বিন আব্দুল্লাহ বৰ্ণনা কৰিছে যে মোৰ পিতৃ হজৰত আব্দুল্লাহ বিন উমৰু আৰু মোৰ মামা উহুদৰ যুদ্ধত শ্বহীদ হৈছিল তেতিয়া মোৰ মাতৃৰ পেহীয়েক যিজনী হজৰত উমৰু বিন জমুহৰ পত্নী আছিল। বেলেগ এটা ৰিৱায়ত অনুযায়ী উক্ত হজৰত উমৰু বিন জমুহৰ

পত্নীয়ে উক্ত শ্বহীদ দুজনৰ লাচ মোবাৰক উটনীৰ পিঠিত উঠাই লৈ মদিনালৈ যাত্ৰা কৰিছিল; এনেতে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা ঘোষণা দিওঁতা সকলে ঘোষণা কৰিছিল যে আমাৰ শ্বহীদ সকলক সিহঁতৰ ৰণ কৰা ঠাইতে সমাধিস্থ কৰা হওঁক। সেয়ে এওঁলোক দুজনক ওভতাই অনা হৈছিল আৰু তেওঁলোকক যুদ্ধ কৰি শ্বহীদ হোৱা ঠাইতে দফন কৰা হৈছিল।

আন এটা ৰিৱায়তত উল্লেখ আছে যে, যেতিয়া হজৰত আব্দুল্লাহ বিন উমৰু (ৰাঃ) উহুদৰ যুদ্ধলৈ যাত্ৰা কৰিছিল তেতিয়া নিজৰ পুত্ৰ হজৰত জাবিৰক মাতি আনিছিল আৰু তেওঁক কৈছিল হে মোৰ পুত্ৰ! মই দেখিবলৈ পাই আছো যে, মই শ্বহীদ সকলৰ মাজত প্ৰথম শ্বহীদ হম। আল্লাহৰ কছম ! মই ৰছুলুল্লাহ (ছাঃ)ৰ সত্তাৰ পিছত তোমাৰ বাহিৰে আন কাকো এৰি থৈ যোৱা নাই। তোমালোকে মোৰ বেছি প্ৰয়োজন ! মই অলপ ঋণগ্ৰস্ত আছো; মোৰ সেই ঋণ মোৰ ফালৰ পৰা পৰিশোধ কৰিবা আৰু মই তোমাক তোমাৰ ভনীয়েক সকলৰ লগত ভাল আচৰণ কৰাৰ বাবে অচিয়ত কৰিছোঁ। হজৰত জাবিৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে- পিছ দিনাখন ৰাতিপুৱা সৰ্বপ্ৰথম মোৰ দেউতাকে সৰ্বপ্ৰথম শ্বহীদ হৈছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে উহুদৰ শ্বহীদ সকলক দফন কৰিবলৈ আহিছিল তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল- এওঁলোকক এওঁলোকৰ ক্ষতসহ দফন পিন্ধাই দিয়া কাৰণ মই তেওঁলোকৰ সাক্ষী আৰু কোনো মুছলমানেই এনেকুৱা নহ'ব যিয়ে আল্লাহৰ বাটত জখমি হ'ব, কিয়ামতৰ দিনা তেওঁলোকে এনেদৰে আহিব যে সিহঁতৰ শৰীৰত তেজ বৈ গৈছে; সিহঁতৰ ৰঙ জাফৰানৰ দৰে হ'ব, সিহঁতৰ সুগন্ধী কস্তুৰীৰ দৰে হ'ব। আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে, আব্দুল্লাহ বিন উমৰু আৰু আব্দুল্লাহ বিন জমুহক এটা কবৰত দফন কৰা, কাৰণ এওঁলোক দুজনৰ মাজত পৱিত্ৰতা আৰু বন্ধুত্ব আছিল। হুজুৰ (আইঃ) কয় যে ইনশা আল্লাহ তেওঁৰ বৰ্ণনা আগলৈ চলিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 30 OCTOBER 2020**

# BOOK POST (PRINTED MATTER)

TO,
.......................................................................................................................
.......................................................................................................................
.......................................................................................................................
.......................................................................................................................
.......................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**